# কাৰ্য্য আৰু শক্তি

## সাধাৰণ বিজ্ঞান

**১। বল দিলে কি হয়?**

**উত্তৰঃ** বল দিলে বস্তুৰ স্থানৰ পৰিবৰ্তন হয়।

**২। শক্তি বুলিলে কি বুজা?**

**উত্তৰঃ** কোনো এটা কাৰ্য্য কৰিবলৈ যি বল প্ৰয়োগ কৰা হয়, তাকে শক্তি বোলে।

**৩। ইন্ধন কি? আমি কেইপ্ৰকাৰৰ ইন্ধনৰ বিষয়ে জানো?**

**উত্তৰঃ** যি বস্তু পুৰিলে কোনো তাপ শক্তি পোৱা যায়, তাকে ইন্ধন বোলে।আমি তিনি প্ৰকাৰ ইন্ধনৰ বিষয়ে জানো। **যেনে :-**

ক) গোটা ইন্ধন।

খ) জুলীয়া ইন্ধন।

গ) গেছীয় ইন্ধন।

**উদাহৰণ :-** গোটা ইন্ধন — কলা

গেছীয় ইন্ধন — প্ৰাকৃতিক গেছ

জুলীয়া ইন্ধন — পানী

**৪। গতি শক্তি মানে কি?**

**উত্তৰঃ** কোনো এটা বস্তুৱে চলি থাকোতে বা গতি কৰি থাকোতে যি শক্তি লাভ কৰে,তাকে গতি শক্তি বোলে।

**৫। ধনুৰ গুণডাল টানি ৰাখিলে কি শক্তি পায় ?**

**উত্তৰঃ** ধনুৰ গুণডাল টানি ৰাখিলে স্থিতি শক্তি পোৱা যায়।

**৬। পতাকা এখন খুটাত ওলোমাই থলে উৰি থাকে কিয়?**

**উত্তৰঃ** পতাকা এখন খুটাত ওলোমাই থলে পতাকাখনত বায়ুৱে ক্রিয়া কৰি থাকে ফলত পতাকাখনে গতি শক্তি লাভ কৰি উৰি থাকে।

**৭। পাহাৰৰ টিঙত থকা শিলটো তললৈ বাগৰি আহে কিয় ?**

**উত্তৰঃ** পৃথিৱীয়ে সকলো বস্তুকে নিজৰ গাৰফালে টানি থাকে। পৃথিৱীৰ এই মাধ্যাকৰ্ষণিক বলৰ বাবে পাহাৰৰ টিঙত থকা শিলটো তললৈ বাগৰি আহে।

**৮। তেলৰ চাকি এটা জ্বলালে কি শক্তি পাম?**

**উত্তৰঃ** তেলৰ চাকি এটা জ্বলালে তাত তাপ শক্তি পোৱা যায়।

**৯। শক্তিৰ ৰূপান্তৰ মানে কি?**

**উত্তৰঃ** এবিধ শক্তিক আন এবিধ শক্তিলৈ পৰিবৰ্তন কৰাকে শক্তিৰ

ৰূপান্তৰ বুলি কোৱা হয়।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**১। কাৰ্য্য কাক বোলে?**

**উত্তৰঃ** বল প্ৰয়োগৰ দ্বাৰা বস্তুৰ স্থানৰ পৰিবৰ্তন কৰাকে কাৰ্য বোলে।

**২। কাৰ্য কৰিবলৈ কিহৰ প্ৰয়োজন?**

**উত্তৰঃ** কাৰ্য কৰিবলৈ শক্তিৰ প্ৰয়োজন।

**৩। কেইবিধমান শক্তিৰ নাম লিখা ?**

**উত্তৰঃ** কেইবিধমান শক্তিৰ নাম হ’ল-

ক) স্থিতি শক্তি

খ) গতি শক্তি

গ) তাপ শক্তি

ঘ) বিদ্যুৎ শক্তি

ঙ) চুম্বকীয় শক্তি

**৪। চুম্বকীয় শক্তি কাক বোলে?**

**উত্তৰঃ** যি শক্তিৰ জৰিয়তে চুম্বকে বস্তুসমূহ নিজৰ গাৰফালে টানে, তাকে চুম্বকীয় শক্তি বোলে।

**৫। মাধ্যাকৰ্ষণ শক্তি কাক বোলে?**

**উত্তৰঃ** পৃথিবীয়ে সকলো বস্তুকে নিজৰ গাৰ ফালে টানে।পৃথিৱীৰ এই শক্তিটোক ' মাধ্যাকৰ্ষণ শক্তি বোলে।